بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## তেহেৰিকে জাদিদৰ ৯১ বছৰত জামাতৰ সদস্যসকলে কৰা আৰ্থিক কোৰবাণীৰ উল্লেখ আৰু ৯২ তম বছৰৰ আৰম্ভণিৰ ঘোষণা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৭ নৱেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ ۔ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ ۔

তাছাহুদ তাউজ, ছুৰা ফাতিহা আৰু ছুৰা বাকাৰাৰ ২৬২ নং আয়াত অনুবাদসহ পাঠ কৰাৰ পাছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, ১ নৱেম্বৰৰ পৰা আল্লাহ তা'লাৰ কৃপাত জামাতত তেহেৰিকে জাদিদৰ বিত্তীয় বছৰৰ আৰম্ভণি হয়। এই উদ্ধৃতিত তেহেৰিকে জাদিদৰ নতুন বছৰৰ ঘোষণা কৰা হয় আৰু বিগত বছৰৰ আৰ্থিক কোৰবাণীৰ কথাও উল্লেখ কৰা হয়। এইদৰে আৰ্থিক কোৰবাণীৰ গুৰুত্বৰ বিষয়ে কিছু বৰ্ণনা কৰা হয়।

তেহেৰিকে জাদিদৰ আৰম্ভণি ১৯৩৪ চনত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৰিছিল। ইয়াৰ কাৰণ আছিল যে সেই সময়ত জামাতৰ বিৰুদ্ধে আহৰাৰ জাতিয়ে ফিৎনা সৃষ্টি কৰি হুলস্থুল কৰিছিল। বেহেস্তি মকবৰা য'ত হজৰত মছীহ মাওউদ (আঃ)ৰ সমাধি তাক বিনষ্ট কৰাৰ পৰিকল্পনা কৰিছিল। চৰকাৰেও বিৰোধীসকলৰ সমৰ্থন কৰিছিল। এনে সময়ত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে জামাতক এটা ফাণ্ডৰ ব্যৱস্থা কৰিবলৈ তেহেৰিক কৰিছিল, যাতে আহমদীয়ত আৰু ইছলামৰ পয়গাম পৃথিৱীৰ প্ৰান্তলৈকে পৌচাব পৰা যায় তথা জামাতৰ ব্যৱস্থাপনা শক্তিশালী হ'ব পাৰে; আৰু বিৰোধী সকলৰ কোলাহল আৰু হুলস্থুল নিষ্পত্তি কৰিব পৰা যায়। এঠাইত বিৰোধীতা হলেও আন ঠাইত যেন জামাতৰ উন্নতি দেখা যায় আৰু জামাতৰ প্ৰসাৰ অব্যাহত থাকে। আল্লাহ তা'লাৰ কৃপাত আজি আমি প্ৰত্যক্ষ কৰি আছো যে পৃথিৱীৰ সমগ্ৰ দেশতে আহমদীয়ত আৰু প্ৰকৃত ইছলামৰ পয়গাম বিস্তাৰ লাভ

কৰিছে আৰু আমাৰ মিছনাৰী আৰু মুবাল্লিগসকলে তাতে কাম কৰি আছে। পৃথিৱীৰ বিভিন্ন দেশত আমি মছজিদ নিৰ্মাণ কৰিছোঁ, বিদ্যালয় চলি আছে, চিকিৎসালয় চলি আছে, মুবাল্লিগ আৰু প্ৰচাৰকসকলে জামাতৰ সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰি আছে। লিটাৰেচৰ প্ৰকাশ পাই আছে, ইয়াৰোপৰি কেন্দ্ৰীয় ষ্টুডিঅৰ এম.টি.এ ৰ ষ্টুডিঅ কেইবাটাও ৰাষ্ট্ৰত প্ৰতিষ্ঠিত হৈছে, ৰেডিঅ ষ্টুডিঅ প্ৰতিষ্ঠিত হৈছে। অৰ্থাৎ সকলো কাম চলি আছে, ইয়াৰ খৰচসমূহ চান্দাৰ দ্বাৰা পূৰণ কৰা হয়; কিন্তু তেহেৰিকে জাদিদে ইয়াত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে।

এহৰাৰ জাতিৰ দাবী যে আমি কাদিয়ানক নিৰ্মূল কৰি পেলাম আৰু আহমদীয়তৰ অস্তিত্ব নাইকিয়া কৰি পেলাম, আজিলৈকে আমাৰ বিৰোধীসকলে এই ধ্বনি দি থাকে, এই শ্লোগানৰ উত্তৰ প্ৰতি বছৰে জামাত আহমদীয়াই বিকাশৰ দ্বাৰা দি থাকে। আল্লাহ তা'লাৰ কৃপাত বয়াত কৰি জামাত আহমদীয়াত অন্তৰ্ভুক্ত হোৱা লোকসকলে ইয়াৰ উত্তৰ দি আছে। আজি ২২০ দেশত বিস্তাৰ লাভ কৰা জামাতৰ প্ৰগতি হৈছে ইয়াৰ প্ৰমাণ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আল্লাহ তা'লাৰ এই কাৰ্য আৰু সমৰ্থন এই কথাক প্ৰমাণ কৰে যে হজৰত মছীহ মাওউদ (আঃ)ৰ দাবী সত্য আছিল আৰু সত্য হয়। আহমদীয়ত কোনো মানুহৰ দ্বাৰা প্ৰতিষ্ঠা কৰা পুলি নহয়, কোনো সংগঠনৰ দ্বাৰা প্ৰতিষ্ঠা কৰা পুলি নহয়, কোনো চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠা কৰা পুলি নহয়, বৰঞ্চ খোদা তা'লাৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছে, যিটো শাখা থকা গছত পৰিণত হৈছে; ইয়াৰ শাখা সমগ্ৰ পৃথিৱীত বিয়পি পৰিছে; আল্লাহ তা'লাই ইয়াক অধিক বিয়পাই আছে আৰু ফলপ্ৰসূ কৰি তুলিছে। এই কাম অব্যাহত আছে আৰু বৃদ্ধি পাই আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰা বাকাৰাৰ ২৬২ নং আয়াতৰ আলোকত বৰ্ণনা কৰি কৈছে যে আল্লাহ তা'লাই প্ৰতিজ্ঞা কৰিছে যে মই তোমাক অৰ্থাৎ যিয়ে মোৰ বাটত খৰচ কৰে, ইয়াৰ প্ৰতিদান নিদিয়াকৈ এৰি নিদিও, বৰঞ্চ তোমালোকৰ এই কোৰবাণীক ৭০০ গুণলৈকে বৃদ্ধি কৰাৰ ক্ষমতা ৰাখো বৰং ইয়াতকৈয়ো অধিক। গতিকে এই কথা কৈ আল্লাহ তা'লাই মোমিনসকলৰ অন্তৰত এই আকৰ্ষণ সৃষ্টি কৰিছে যাতে নিজৰ হৃদয়খন মুকলি কৰি আল্লাহৰ পথত খৰচ কৰে, আল্লাহৰ ধৰ্ম বিস্তাৰৰ বাবে খৰচ কৰে; যিটো কাম এই যুগত হজৰত মছীহ মাওউদ (আঃ)ৰ অধীনত আছিল সেয়া এতিয়া তেখেত (আঃ)ৰ জামাতৰ অধীন হৈ পৰিছে। যিসকলে কোৰবাণী কৰে তেওঁলোকে নিজৰ ঘটনাবোৰ মৌলৈ লিখি থাকে। আচৰিত হও যে আল্লাহ তা'লাই তেওঁলোকক কিমান কোৰবাণী কৰাৰ সৌভাগ্য প্ৰদান কৰিছে আৰু তেওঁলোকৰ ঈমান কিমান দৃঢ় কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে আল্লাহৰ পথত খৰচ কৰাৰ গুৰুত্বৰ আলোকত কিছুমান জ্ঞানমূলক আৰু ঐতিহাসিক বৰ্ণনা উল্লেখ কৰি কয় যে যিসকলে আৰ্থিক কোৰবাণী কৰে তেওঁলোকৰ বাবে এইটো হিদায়ত যে তেওঁলোকে নিজৰ উপাসনাৰ মানদণ্ড বৃদ্ধি কৰিব। আৰ্থিক কোৰবাণী কৰি এইটো ভৰা উচিত নহয় যে আমি উপাসনাৰ পৰা মুক্ত হৈ পৰিছো।

পুনৰায় কৈছে আঁহজৰত (ছাঃ)ৰ যুগৰ চাহাবা সকলৰ উদাহৰণ আছে একেদৰে আমাৰ জামাতৰ বয়োজ্যেষ্ঠসকলৰ আদৰ্শও একেই আছিল যে তেওঁলোকে নিজৰ সম্পত্তি খোদাৰ পথত খৰচ কৰিবলৈ হিচাপ কৰা নাছিল বৰঞ্চ কোনো সংকোচ নকৰাকৈয়ে খৰচ কৰিছিল। হজৰত খলিফাতুল মছীহ

প্ৰথম (ৰাঃ)য়েও বহু ত্যাগ স্বীকাৰ কৰিছিল। অৰ্থাৎ হজৰত মছীহ মাওউদ (আঃ)য়ে নিজেই এঠাইত তেখেতৰ কথা উল্লেখ কৰি কৈছে যে যদি মই অনুমতি প্ৰদান কৰিলোহেঁতেন তেন্তে মৌলানা নুৰুদ্দিন খলিফাতুল মছীহ প্ৰথম (ৰাঃ)য়ে সকলোবোৰ সম্পত্তি খোদাৰ পথত বিসৰ্জন দি নিজৰ আধ্যাত্মিক সংগীৰ নিচিনাই শাৰীৰিক সংগীক সকলো সময়তে সংগত থকাৰ অধিকাৰৰ মূল্য দিলেহেঁতেন।

হুজুৰ আনোৱাৰ (আইঃ)য়ে সমগ্ৰ পৃথিৱীৰ নিষ্ঠাবান সকলে তেহেৰিক জাদিদৰ আৰ্থিক কোৰবাণী উত্থাপন কৰাৰ প্ৰেক্ষাপটত আলবানিয়া, ইণ্ডোনেচীয়া, ঘানা, গিনিকিনাকৰী আৰু মালী ইত্যাদি দেশৰ নিষ্ঠাবান সকলৰ কোৰবাণীৰ ঈমান বৰ্দ্ধক ঘটনা আৰু তেওঁলোকৰ ওপৰত বৰ্ষিত হোৱা পুৰস্কাৰ আৰু ঐশ্বৰিক কৃপাৰ ঘটনা উল্লেখ কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে তেহেৰিকে জাদিদ ভাৰত তেলেঙ্গানাৰ ইন্সপেক্টৰে হায়দৰাবাদৰ এজন ব্যক্তিৰ  বিষয়ে লিখিছে যে তেওঁৰ প্ৰতিশ্ৰুতি আছিল ৭ হাজাৰ টকা, তেওঁৰ চাকৰি বন্ধ হোৱাৰ বাবে সেই প্ৰতিশ্ৰুতিৰ ধন ৰাশি আদায় কৰিব নোৱাৰিলে। অহা বছৰৰ বাবে তেওঁ ১০ হাজাৰ টকা প্ৰতিশ্ৰুতি লিখোৱায়। তেওঁক কোৱা হয় যে বিগত বছৰৰ প্ৰতিশ্ৰুতি আপুনি আদায় কৰা নাই আৰু পৰৱৰ্তী বছৰৰ বাবে বৃদ্ধি কৰি আছে, তেতিয়া তেওঁ উত্তৰ দিয়ে যে মই নিশ্চিত যে ইয়াৰ ব্যৱস্থা আল্লাহ তা'লাই কৰিব; কিয়নো মই আল্লাহৰ স্বাৰ্থত দি আছো। কিছুদিন পিছত তেওঁ আগতকৈ ভাল চাকৰি পায়, যাৰ ফলত তেওঁ বিগত দুই বছৰৰ চান্দা আদায় কৰি নতুন বছৰৰ প্ৰতিশ্ৰুতি ৭ হাজাৰৰ পৰিৱৰ্তে ৩০ হাজাৰলৈ বৃদ্ধি কৰি আদায় কৰি দিয়ে। এইদৰে আল্লাহ তা'লাই তেওঁক সদ্ভাৱৰ পুৰস্কাৰ দিলে।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ৯২ তম নতুন বছৰৰ আৰম্ভণিৰ ঘোষণা কৰে। তেহেৰিকে জাদিদৰ ৯১ তম বছৰৰ পৰিসংখ্যা কৰি কয় যে আল্লাহ তা'লাৰ কৃপাত জামাতে ১৯.৫৫ মিলিয়ন পাউণ্ড কোৰবাণী কৰাৰ সৌভাগ্য লাভ কৰিছে। আলহামদুলিল্লাহ- যিটো বিগত বছৰতকৈ ১৫ লাখ ৬৪ হাজাৰ পাউণ্ড অধিক বৃদ্ধি পাইছে।

চান্দা সংগ্ৰহ কৰাৰ ক্ষেত্ৰত প্ৰথম দহটা জামাত ঃ জাৰ্মান, ইংলেণ্ড, আমেৰিকা, কেনেডা, ভাৰত, অষ্ট্ৰেলিয়া, ইণ্ডোনেচীয়া, মধ্য প্ৰাচ্যৰ জামাত আৰু ঘানা। শীৰ্ষ স্থান লাভ কৰা জামাতসমূহঃ মৰিচাছ আৰু হলেণ্ড। মুঠ কাৰ্যক্ষেত্ৰৰ ভিত্তিত অন্যান্য উল্লেখযোগ্য জামাতসমূহ ঃ বেলজিয়াম, ছুইডেন, ফ্ৰান্স, হলেণ্ড, কিবাবিৰ, বাংলাদেশ, বৰকিনাফাছো, নিউজিলেণ্ড, ছিয়েৰালিয়ন, মালী, নাইজেৰিয়া, তুৰ্কী, জাৰ্জিয়া, মিডিল ইষ্টৰ জামাত আৰু অষ্ট্ৰেলিয়া। আফ্ৰিকাত মুঠ চান্দা সংগ্ৰহ কৰাৰ ক্ষেত্ৰত প্ৰথম পাঁচটা জামাতঃ ঘানা, মৰিচাছ, নাইজেৰিয়া, বৰকিনাফাছো আৰু তানজানিয়া। তেহেৰিকে জাদিদত অন্তৰ্ভুক্ত হোৱা সকলৰ মুঠ সংখ্যা ১৭ লাখ। এই বছৰৰ প্ৰতিবেদন অনুসৰি সপ্তম শ্ৰেণীত অন্তৰ্ভুক্ত হোৱাৰ সংখ্যা ৪৩ হাজাৰ ৫৮৮ জন।

ভাৰতৰ দহটা ৰাজ্য ঃ কেৰালা, তালিমনাডু, তেলেংগানা, উৰিষ্যা, জম্মু-কাশ্মিৰ, কৰ্ণাটক, পঞ্জাব, পশ্চিম বংগ, মহাৰাষ্ট্ৰ আৰু দিল্লী। ভাৰতৰ জামাত সমূহ ঃ হায়দৰাবাদ, কোৱেম্বাটু, কাদিয়ান, কালিকাট, মিলাপালম, মেনজাৰী, বাংগালুৰ, কেৰেং, কলিকতা আৰু কেৰুলাই।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে তেহেৰিকে জাদিদৰ প্ৰথম শ্ৰেণীৰ ৯২ বছৰ

হৈছে, ইয়াৰ পুৰণি খাতা জাৰি আছে, দ্বিতীয় শ্ৰেণীৰ ৮২ বছৰ হৈছে, তৃতীয় শ্ৰেণীৰ ৬১ বছৰ হৈছে, চতুৰ্থ শ্ৰেণীৰ ৪১ বছৰ হৈছে, পঞ্চম শ্ৰেণীৰ ২২ বছৰ হৈছে। ষষ্ঠম বছৰৰ তৃতীয় বছৰৰ আৰম্ভণি হ'ব। হুজুৰ কয় যে আগন্তত অংশগ্ৰহণকাৰীসকল সপ্তম শ্ৰেণীত অন্তৰ্ভুক্ত হ'ব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ইয়াৰ পিছত আৰ্থিক কোৰবাণী সন্দৰ্ভত এটা উদ্ধৃতি উল্লেখ কৰি দোৱা কৰে যে আল্লাহ তা'লাই আমাক এই আৰ্থিক কোৰবাণী আগবঢ়াই ইছলামৰ পয়গাম বিস্তাৰ কৰাৰ সৌভাগ্য দান কৰি আমাৰ চেষ্টা-প্ৰচেষ্টাত অসীম কল্যাণ বৰ্ষিত কৰক আৰু ইয়াক ফলপ্ৰসূ কৰক; যাতে আমি অতি সোনকালে পৃথিৱীত একত্ববাদৰ শাসন প্ৰতিষ্ঠা হোৱা দেখা পাও আৰু আঁহজৰত (ছাঃ)ৰ পতাকা উত্তোলণ হোৱা দেখিবলৈ পাওঁ।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ۔ عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 7 NOV 2025**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB